RNI Regn. No- ASSASS/2011/38477

নিৰ্ভীক, নিৰপেক্ষ

# অসমীয়া খবৰ

গুৱাহাটী আৰু যোৰহাটৰ পৰা একে সময়তে প্ৰকাশিত ☐ যোৰহাট সংস্কৰণ ☐ মুঠ পৃষ্ঠা ১২

০৩৬১-২৪৭৭২৯১/২ চতুৰ্দশ বছৰ সংখ্যা ২৮১ মঙলবাৰ ৯ ভাদ ১৯৪৭ শক ২৬ আগষ্ট ২০২৫ চন ASOMIYA KHABAR JORHAT TUES

## অনলাইন মাধ্যমত কানৈৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচন সম্পন্ন

ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৫ আগষ্ট ঃ ডিব্ৰুগড় ডিএইচএছ কানৈ মহাবিদ্যালয় স্বায়ত্তশাসিতৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচন অনুষ্ঠিত হৈ যায়। পঞ্চমবাৰৰ বাবে সম্পূৰ্ণ অনলাইন পদ্ধতিৰে অনুষ্ঠিত নিৰ্বাচনত পৰাজিত প্ৰাৰ্থীসকলে বিজয়ীক হাতে হাত মিলাই বিজয়ৰ প্ৰমাণ পত্ৰ প্ৰদান কৰি এক আদৰ্শৰ বাট দেখুৱায়। মহাবিদ্যালয়খনৰ অধ্যক্ষৰ সভাকক্ষত পুৱা ৯ বজাত অনলাইন মাধ্যমত অনুশীলন ভোট আৰম্ভ হোৱাৰ পিছত পুৱা ১০ বজাৰ পৰা বিয়লি ২ বজালৈ অনলাইন মাধ্যমত ভোটদান প্ৰক্ৰিয়া সম্পন্ন হয়। সম্পূৰ্ণ নিকা আৰু স্বচ্ছতাৰে ভোটদান প্ৰক্ৰিয়া সম্পন্ন হোৱাৰ পিছত বিয়লি ২.১৫ বজাত ভোটদান প্ৰক্ৰিয়াৰ ফলাফল ঘোষণা কৰা হয়। ২০২৫-২০২৬ বৰ্ষৰ এইবাৰৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত মুঠ ১৪ পদৰ বিপৰীতে ৫ পদৰ বাবে অনুষ্ঠিত হোৱা নিৰ্বাচনত ১০ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল। পুৱা ১০ বজাৰ পৰা বিয়লি ২ বজাৰ ভিতৰত অনুষ্ঠিত হোৱা ভোটদান প্ৰক্ৰিয়াত মহাবিদ্যালয়ৰ মুঠ ৩৮৬১ গৰাকী ছাত্ৰ-ছাত্ৰীৰ ভিতৰত মুঠ ২৬৩৫ গৰাকীয়ে ভোটদান কৰে আৰু ভোটদানৰ হাৰ আছিল ৬৮.২৫ শতাংশ। ইয়াৰে ১০৫২ গৰাকী ছাত্ৰ আৰু ১৫৮৩ গৰাকী ছাত্ৰীয়ে তেওঁলোকৰ ভোটাধিকাৰ সাব্যস্ত কৰে। নিৰ্বাচনত ক্ৰমে সভাপতি পদৰ প্ৰাৰ্থী আত্ৰেয় চেতীয়াই মুঠ ১২৮৪ ভোট, সাধাৰণ সম্পাদকৰ পদত বেদব্যাস বড়ীয়ে ১৮৭৭ ভোট, সমাজ সেৱা সম্পাদকৰ পদত হৰ্ষিতা গগৈয়ে ১৩৭৬ ভোট, গুৰু ক্ৰীড়া সম্পাদকৰ পদত চয়ন শুভাংকৰ দাসে ১৭১০ ভোট আৰু সংগীত সম্পাদকৰ পদত জিমণি কোঁৱৰে ১২৫৯ ভোট লাভ কৰি জয়লাভ কৰে। সমান্তৰালভাৱে উপ-সভাপতি পদত চানক্য বৰুৱা, আলোচনী আৰু সাহিত্য সম্পাদকৰ পদত ৰিয়া বৰুৱা, লঘু ক্ৰীড়া সম্পদকৰ পদত সুস্মিতা চেত্ৰী, সাংস্কৃতিক সম্পাদকৰ পদত সৌৰভজ্যোতি দাস, তৰ্ক সম্পাদক পদত শিল্পী ফুকন, শৰীৰ চৰ্চা সম্পাদকৰ পদত ৰক্তিম গগৈ, ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ পদত দীপজ্যোতি কোঁৱৰ আৰু ছাত্ৰী জিৰণি কোঠাৰ সম্পাদকৰ পদত ৰমিজা বেগমে বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হ'বলৈ সক্ষম হয়। উল্লেখ্য যে সহকাৰী সাধাৰণ সম্পাদকৰ পদত কোনো প্ৰতিদ্বন্দ্বিৰ মনোনয়ন পত্ৰ গৃহীত নোহোৱাৰ পৰিপ্ৰেক্ষিতত উক্ত পদটি খালী হৈ ৰয়। কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই নিৰ্বানটি সুকলমে অনুষ্ঠিত কৰাত মহাবিদ্যালয়ৰ উপাধ্যক্ষ অভিজিত বৰুৱা, নিৰ্বাচনী বিষয়া ড° অনন্ত কুমাৰ দত্ত প্ৰমুখ্যে নিৰ্বাচন প্ৰক্ৰিয়াটোৰ লগত প্ৰত্যক্ষ অথবা পৰোক্ষভাৱে জড়িত হৈ থকা প্ৰতিগৰাকী অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী, চিষ্টেম ডেভ্‌লপাৰ কাকুল বেজবৰুৱাক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। উল্লেখ্য যে ছাত্ৰ একতা সভাৰ এই নিৰ্বাচনত মহাবিদ্যালয় চৌহদত প্ৰৱেশ নকৰাকৈ ছাত্ৰ-ছাত্ৰীসকলে দেশৰ বিভিন্ন প্ৰান্তৰ পৰা তেওঁলোকৰ ভোটাধিকাৰ সাব্যস্ত কৰে। বিয়লি ২.১৫ বজাৰ পৰা অনুষ্ঠিত ছাত্ৰ একতা সভাৰ নিৰ্বাচনৰ ভোটগণনা প্ৰক্ৰিয়াত মহাবিদ্যালয়ৰ নৱ নিযুক্ত পৰিচালনা সমিতিৰ সভাপতি ড° লখিৰাম শইকীয়াৰ লগতে পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি তথা বৰ্তমানৰ সদস্য অভিমন্যু বৰুৱা, পৰিচালনা সমিতিৰ সদস্য ড° গোপাল হাজৰিকা, সদ্যঅৱসৰপ্ৰাপ্ত প্ৰাক্তন উপাধ্যক্ষ ড° প্ৰিয়দেৱ গোস্বামী, মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰীসকলৰ উপস্থিতিত অনুষ্ঠিত হোৱা ছাত্ৰ একতা সভাৰ নিৰ্বাচন অতি সুন্দৰভাৱে অনুষ্ঠিত হৈ যায়। উল্লেখ্য যে বিগত ২০১৮ চনত মহাবিদ্যালয়খনে ডিজিটেল পদ্ধতিত পোনপ্ৰথমবাৰৰ বাবে ২০ কম্পিউটাৰ ব্যৱহাৰ কৰি নিৰ্বাচন অনুষ্ঠিত কৰাৰ পিছত ২০১৯ চনত এই ভোটদান প্ৰক্ৰিয়া সম্পূৰ্ণ অনলাইন পদ্ধতিলৈ উন্নীত কৰা হয় আৰু দেশৰ বিভিন্ন প্ৰান্তৰ পৰা ছাত্ৰ-ছাত্ৰীয়ে ভোটদান সাব্যস্ত কৰিব পৰা হয়।

---

দিয়াৰ দাবী

## ...াস্থ্য ...ৰৰ প্ৰতিবাদ

জাৰি নকৰিবলৈ আহ্বান জনাইছে জনস্বাস্থ্য কাৰিকৰী বিভাগক। জিএছটিৰ অনাদায় ধন মোকলাই দিয়াৰ উপৰি ছিকিউৰিটি ডিপ'জিতৰ ধনৰাশি মোকলাই দিয়াৰ দাবী উত্থাপন কৰিছে। একে সময়তে আইএমআইএছ পুনৰ মুকলাই দিয়াৰ দাবী জনাইছে ঠিকাদাৰ সন্থাই। এই দুই ঘন্টীয়া প্ৰতিবাদী অৱস্থান ধৰ্মঘট কাৰ্যসূচীৰ জৰিয়তে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মুখ্য অভিযন্তালৈ এখন দাবী সম্বলিত স্মাৰক-পত্ৰ প্ৰেৰণ কৰে বুলি প্ৰকাশ।

## ...কৰক ঃ আপ ...ভিত্তিত ...মা সমস্যা

আম আদমি পাৰ্টীয়ে আশা প্ৰকাশ কৰিছে। এই সন্দৰ্ভত আপৰ ৰাজ্যিক সাধাৰণ সম্পাদকজনে কয় যে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ গা এৰা মনোভাৱৰ বাবেই দুয়ো ৰাজ্যৰ সীমা সমস্যাই আজি জটিল ৰূপ ধাৰণ কৰিলে। গতিকে চৰকাৰে সত্যক ঢাকিবলৈ কৰা চেষ্টা উচিত হোৱা নাই। আনহাতে, কেৱল গোলাঘাট জিলাৰ অধীনৰ দুয়োখন ৰাজ্যৰ সীমান্তত বলবৎ হৈ থকা 'বিবদমান এলেকা' প্ৰত্যাহাৰ কৰিবলৈ আম আদমি পাৰ্টী, অসমে দাবী জনাইছে।

## ...ন্ধি ঃ ...চিত সেনাৰ

হিৰণ্য ফুকন, টেঙাখাত আঞ্চলিকৰ উপদেষ্টা ৰাজীৱ গগৈ টিংৰাই চাবিৱালি আঞ্চলিকৰ মুখ্য সচিব বিদীপ দত্তই অংশগ্ৰহণ কৰে। বীৰ লাচিত সেনাৰ টিংৰাই আঞ্চলিক, দুলীয়াজান আঞ্চলিকৰ সদস্যসকল উপস্থিত হৈ টিংৰাই নৈৰ ওপৰত নিৰ্মাণ কৰা অবৈধ বান্ধ ভাঙিবলৈ সক্ষম হয়। ভৱিষ্যতে, এনে অবৈধ কাৰ্যৰ বিৰুদ্ধে জংগী কাৰ্যসূচীৰ বিষয়েও সকীয়াই দিছে সংগঠনটোৱে।

---

...ীকৰণ ঃ সভাৰ বাহিঁৰত

## ... ক্ষতি

...া হামিদে জ...

...সকলৰ ...পাপ ...ৰ দাবী

...কাৰো ...কোৰাটো ...দিছে। ...দেশৰ ...তে কোৰা



...ত থাকে, দুদিন আহি...

## ...মদৰ মতে বাং... ...য়া যাওক বাং...

...তিবাৰ জনম ...ৰ ৰাইজে ... চৰকাৰ ...গ নিদিয়ে

সভাপতি গৌ... কৰিছে। মুখ্যম... যে চৈয়দা হামি... গান্ধীৰ ঘনিষ্ঠ ব... প্ৰধানমন্ত্ৰী আছি... সদস্য হিচাপে... হৈছিল। পৰিক...

## ...বিলাসীপাৰা... ...পুলিচিং ঃ গছ... ...বান্ধি দুই যুৱ...

...াৰ খবৰ, বিলাসীপাৰা, ২৫ আগষ্ট ... ...ত নিলকদিলৈ মৰেল পুলিচিঙৰ ঘটনা ... ...াসীপাৰাত পুনৰ ভয়ংকৰ মৰেল পুলিচিং ... ...কে আইন হাতত তুলি লৈ দুজন যুৱকক ... ...ী বিহে। বিলাসীপাৰা থানাৰ অন্তৰ্গত ... ...ৰৰ ঘটনা সংঘটিত হৈছে। জানিব পৰা ...